**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং. ৪৭২**
**উত্তৰ দিয়াৰ তাৰিখঃ ২৩-০৭-২০২৬**

বিষয় : **শিক্ষকৰ পুনৰ নিযুক্তি সম্পৰ্কে**

ড° পৰমানন্দ ৰাজবংশীঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০১ চনৰ ব্লেকবোৰ্ড আঁচনি আৰু ১৯৯৯ চনৰ নৱেম্বৰ- ডিচেম্বৰ মাহত দৰং জিলাত প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহত কিমানজন শিক্ষক নিযুক্তি দিয়া হৈছিল ?
(খ) এইসকল শিক্ষকৰ পুনৰ নিযুক্তিৰ মাজতে কি কাৰণত তেওঁলোকক চাকৰিৰ পৰা আতঁৰাই দিয়া হৈছিল ?
(গ) এই সন্দৰ্ভত ২০০৫ চনত মহামান্য আদালতে কোনো ৰায়দান কৰিছিল নেকি ? যিসকল শিক্ষকক বৈধ হিচাপে পৰিগণিত কৰা হৈছিল, তেওঁলোকৰ পুনৰ নিযুক্তি অথবা ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হৈছে নেকি?
(ঘ) জনামতে, নলবাৰী জিলাৰ এই শিক্ষকসকলৰ একাংশক ক্ষতিপূৰণ দিয়া হৈছে । দৰং জিলাৰ শিক্ষকসকলকো একেদৰে ক্ষতিপুৰণ দিয়াৰ বাবে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব নেকি ?

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেবে উত্তৰ দিবঃ

**<u>উত্তৰঃ</u>**

(ক) দৰং জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াৰ পত্ৰ নং. DES-15/2020/1030, dated 20-07-2026 জৰিয়তে দাখিল কৰা তথ্য অনুসৰি দৰং জিলাত ব্লেকবোৰ্ড আঁচনিৰ অধীনত ২০০১ চনত নিম্ন প্ৰাথমিক বিদ্যালয়ত 739 জন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত 214 জন ব্যক্তিক নিযুক্তি দিয়া হৈছিল । সেইদৰে, দৰং জিলাৰ প্ৰাথামিক শিক্ষা বিষয়াৰ পত্ৰ নং. DES-15/2020/1030, dated 20-07-2026 জৰিয়তে দাখিল কৰা তথ্য অনুসৰি দৰং জিলাত ১৯৯৯ চনত 302 জনক নিম্ন প্ৰাথমিক বিদ্যালয়ত আৰু 196 জন ব্যক্তিক উচ্চ প্ৰাথমিক বিদ্যালয়ত দিয়া হৈছিল ।

(খ) দৰং জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াৰ পত্ৰ নং. DES-15/2020/1030, dated 20-07-2026 জৰিয়তে দাখিল কৰা তথ্য অনুসৰি তদানীন্তন দৰং জিলাৰ উপাযুক্তই দাখিল কৰা report ৰ ভিত্তিত আৱণ্টিত পদৰ বিপৰীতে অতিৰিক্ত শিক্ষক নিযুক্তি দিয়াৰ বাবে তদনীন্তন প্ৰাথমিক শিক্ষা সঞ্চালক অসমে উক্ত ব্যক্তিসকলৰ নিযুক্তি বাতিল কৰিছিল।

(গ) এই সন্দৰ্ভত উপলব্ধ তথ্য অনুসৰি ও মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ writ আবেদন WP( c ) No.2386/2015 ৰ Point No. 5 ত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে জাৰি কৰা উক্ত শিক্ষকসকলৰ নিযুক্তি Cancellation Order ৰ বিৰুদ্ধে কৰা writ Appeal 223/2004 ৰ সন্দৰ্ভত মহামান্য উচ্চ ন্যায়ালয়ে 23/02/2005 ত ৰায়দান জাৰি কৰাৰ কথা উল্লেখ আছে ।

উক্ত Writ Petion তথ্যত দেখা যায় যে তেখেতসকলৰ writ appeal অগ্ৰাহ্য কৰা হৈছে ।

(ঘ) উক্ত ক্ষতি পুৰণৰ বিষয়ে কোনো তথ্য বিচাৰি পোৱা হোৱা নাই ।

**(প্ৰশ্নৰ উত্তৰ অসম বিধান সভাৰ (neva) পৰ্টেলত উপলব্ধ ) ।**

*****